# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 24-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::**

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীত বাণিজ্য আৰু উদ্যোগ মহাসংঘ-এফ আই চি চি আইৰ উত্তৰ পূৰ্ব মহিলা সংস্থাই আয়োজন কৰা বাৰ্ষিক অ'মেন এছিভাৰ্ছ বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে বাণিজ্য আৰু উদ্যোগ মহাসংঘৰ সৈতে জড়িত মহিলাসকলক শুভেচ্ছা জনায় আৰু সমাজৰ প্ৰতি তেওঁলোকৰ অৱদানৰ শলাগ লয়। তেওঁ বহনক্ষম উন্নয়নৰ লক্ষ্য প্ৰাপ্তিৰ দিশত লাভ কৰা অগ্ৰগতি আৰু ভাৰতৰ বৰ্ণাঢ্য ঐতিহ্যৰ কথা উল্লেখ কৰি এই ক্ষেত্ৰত মহিলা সৱলীকৰণৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰে। ৰাজ্যপালগৰাকীয়ে বক্সাৰ মেৰিকম আৰু লাভলীনা বৰগোহাই, এথলীট হীমা দাস, হাৰগিলা বাইদেউ হিচাপে পৰিচিত পূৰ্ণিমা দেৱী বৰ্মনৰ লগতে আন আন মহিলাসকলৰ উদাহৰণ দাঙি ধৰি উত্তৰ-পূৰৰ মহিলাসকলৰ ব্যতিক্ৰমী দক্ষতাৰ প্ৰশংসা কৰে। তেওঁ লগতে পৰিবেশ সুৰক্ষা, ব্যৱস্থাপনা, অৰ্থনীতি আৰু সামাজিক উন্নয়নৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডসমূহত মহিলাৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০

শ্ৰীভূমি জিলাৰ লংগাই চাহ বাগিছা বন্ধ কৰাৰ সন্দৰ্ভত এটা চক্ৰই কৰা অপপ্ৰচাৰ দূৰ কৰাৰ বাবে আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জিলা আয়ুক্তৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে এখন বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে এই চাহ বাগিছাখন বন্ধ কৰাৰ কোনো পৰিকল্পনা নাই বুলি স্পষ্ট কৰি দিয়ে। তেওঁ কয়, যে চৰকাৰে প্ৰকৃততে চাহ বাগিছাখন পুনৰ উজ্জীৱিত কৰা আৰু ইয়াৰ ৰাজহ উৎপাদন বৃদ্ধি কৰাৰ উপায় সন্দৰ্ভতহে কাম কৰি আছে। তেওঁ লগতে শ্ৰমিকসকলৰ মজুৰি বৃদ্ধি কৰাৰো পৰিকল্পনা কৰা হৈছে বুলি মন্তব্য কৰে। তেওঁ শ্ৰমিকসকলক কোনো বিভ্ৰান্তিকৰ তথ্যৰ প্ৰতি মনোযোগ নিদিবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত তেওঁ বাগিছাখনৰ সকলো শ্ৰেণীৰ শ্ৰমিকৰ সৈতে কথা পাতিবলৈ আৰু চাহ বাগিছাক লৈ চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে অৱগত কৰিবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে।

০০০০

ৰাজ্য চৰকাৰে নগাওঁ চহৰৰ মাজমজিয়াত থকা নগাওঁ কেন্দ্ৰীয় কাৰাগাৰ আৰু বিশেষ কাৰাগাৰ দুখনক চহৰৰ পৰা দূৰলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত লৈছে। বিধানসভাত আজি নগাওঁ-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী ৰূপেশ গোৱালাই এইকথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে জিলাখনৰ শিঙিয়া পুতনি মৌজাৰ পুতনি গুমুথা গাওঁ কিছামৰ এশ বিঘা ভূমি সামৰি নতুন কেন্দ্ৰীয় আৰু বিশেষ কাৰাগাৰ দুখন নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। এই সন্দৰ্ভত ইতিমধ্যে লোক নিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তাৰ বিভাগলৈ প্ৰকল্প

প্ৰতিবেদনৰ বিশদ বিৰৰণ বিচাৰি পত্ৰ প্ৰেৰণ কৰা হৈছে। বিভাগীয় নীতি নিৰ্দেশনা অনুযায়ী পৰ্যায়ক্ৰমে কাৰাগাৰ দুখনৰ নিৰ্মাণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰী শ্ৰীগোৱালাই সদনক জানিবলৈ দিয়ে।

০০০০

নগাওঁ জিলাৰ বটদ্ৰবাৰ শ্ৰীশ্ৰীশংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী সহকাৰী শিক্ষকক নগাওঁ সংমণ্ডল  বিদ্যালয়সমূহৰ পৰিদৰ্শকে তৎকালে কাৰ্যকৰী হোৱাকৈ নিলম্বনৰ নিৰ্দেশ দিয়ে। শেহতীয়াকৈ অনুষ্ঠিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৰাজীৱ কুমাৰ কলিতা নামৰ শিক্ষকগৰাকীয়ে কেতবোৰ অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈছিল। এই অভিযোগৰ ভিত্তিত বিদ্যালয়সমূহৰ পৰিদৰ্শকে শিক্ষকগৰাকীৰ পৰা কৈফিয়ৎ বিচাৰিছিল। কিন্তু শিক্ষকগৰাকীৰ পৰা সন্তোষজনক উত্তৰ নোপোৱাত পৰিদৰ্শকে এটা নিৰ্দেশযোগে তেওঁক নিলম্বন কৰে।

০০০০

পাঠশালা সাহিত্য সভাৰ উদ্যোগত পৰহিলৈ অৰ্থাৎ ২৬ মাৰ্চত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ৮৭ সংখ্যক স্মৃতি দিৱস সাহিত্য দিৱস হিচাপে উদযাপন কৰিবলৈ লোৱা হৈছে। দিৱসৰ কাৰ্যসূচী অনুসৰি পৰহিলৈ পুৱা পাঠশালাত সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ গোস্বামীয়ে পতাকা উত্তোলন কৰিব। ইয়াৰ পিছতে স্মৃতি তৰ্পণ, সাহিত্যৰথীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু মুকলি আলোচনাৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০

কাছাৰ জিলাৰ কালাইন বজাৰৰ সমীপৰ পেঁচাছড়া অঞ্চলত দেওবাৰে নিশা এটা দহজনীয়া ডকাইতৰ দলে এজন লোকৰ ঘৰত আক্ৰমণ চলাই নগদ ধনকে ধৰি বহু মূল্যবান সা-সম্পত্তি লুট কৰি নিয়ে। ডকাইতৰ দলটোৱে শূন্যলৈ গুলীচালনা কৰি পলায়ন কৰে। ডকাইতৰ আক্ৰমণত ঘৰটোৰ গৰাকীজন গুৰুতৰভাৱে আহত হোৱাৰ উপৰি তেওঁৰ এজন চুবুৰীয়াৰ হাতত গুলী লাগে। ঘটনাৰ সম্ভেদ পোৱাৰ লগে লগে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে যদিও এতিয়ালৈকে ডকাইতৰ দলটোৰ কোনো সন্ধান উলিয়াব পৰা নাই বুলি আমাৰ শিলচৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

বঙাইগাওঁ চহৰৰ মাজমজিয়াত আজি সন্ধিয়া এখন তীব্ৰবেগী চাৰিচকীয়া বাহনে পথৰ দাঁতিত ৰৈ থকা এগৰাকী যুৱতীক খুন্দিওৱাৰ ফলত যুৱতীগৰাকীৰ মৃত্যু হয়। মৃত যুৱতীগৰাকী ভাকাৰিভিটাৰ চয়ানিকা ৰয় বুলি জানিব পৰা গৈছে। দুৰ্ঘটনা সংঘটিত কৰা চাৰিচকীয়া বাহনখনৰ গৰাকী বঙাইগাওঁ যান-বাহন নিয়ন্ত্ৰণ আৰক্ষীৰ লোক বুলি জানিব পৰা গৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ